প্ৰেচ বিজ্ঞপ্তি
**ভাৰতীয় ৰিজাৰ্ভ বেংক**

ডিচেম্বৰ ৭, ২০০৭

## বিদেশৰ পৰা সস্তীয়া ফাণ্ড প্ৰেৰণ কৰা কাল্পনিক প্ৰস্তাৱৰ (fictitious offer) বিৰুদ্ধে জনসাধাৰণলৈ ৰিজাৰ্ভ বেংকৰ সতৰ্ক বাণী

ৰিজাৰ্ভ বেংকে সমূহ জনসাধাৰণক কিছুমান সমুদ্ৰোত্তৰীয় সংস্থাৰ দ্বাৰা ভাৰতীয় বেংকলৈ/ৰিজাৰ্ভ বেংকলৈ সস্তীয়া ফাণ্ড প্ৰেৰণ কৰা বুলি দাবী কৰা কাল্পনিক প্ৰস্তাৱৰ বলি নহ'বলৈ সকিয়াই দিছে আৰু এনেধৰণৰ অচিনাকী সংস্থাৰ আঁচনি/প্ৰস্তাৱ আদিত অংশ গ্ৰহণৰ বাবে ধন প্ৰেৰণ নকৰিবলৈ উপদেশ দিছে।

এনেধৰণৰ প্ৰস্তাৱসমূহৰ কাৰ্যপ্ৰণালীৰ বিৱৰণী দাঙি ধৰি ৰিজাৰ্ভ বেংকে জনাইছে যে কিছুমান বিদেশী সংস্থা/ব্যক্তিসমূহ আৰু এনে সংস্থা/ব্যক্তিসমূহৰ প্ৰতিনিধি হিচাবে কাম কৰা ভাৰতীয় নিবাসীয়ে ভাৰতত ব্যক্তিসমূহ/সংস্থাসমূহলৈ (স্কুল/হস্পিটলকে ধৰি) তেওঁলোকৰ ব্যৱসায়/প্ৰচেষ্টাত সহায় কৰাৰ অজুহাতত পত্ৰ/ই-মেইলৰ যোগেদি বৃহৎ পৰিমাণৰ বিদেশী মুদ্ৰাৰ প্ৰস্তাৱ আগবঢ়ায়। এবাৰ যোগাযোগ স্থাপন হোৱাৰ লগে লগে, প্ৰস্তাৱ আগবঢ়োৱাৰ পিচতেই ব্যক্তিসমূহ/ভাৰতীয় সংস্থাৰ বেংক একাউণ্টৰ সবিশেষ আৰু অগ্ৰীম জমা/কমিচন হিচাবে কিছু বিদেশী মুদ্ৰা প্ৰেৰণ কৰিবলৈ অনুৰোধ জনাব যাতে প্ৰস্তাৱিত ৰাশি তেওঁলৈ অন্তৰিত (transfer) কৰিব পাৰে। ইতিমধ্যে সমুদ্ৰোত্তৰীয় লটাৰী আঁচনিত জিকা পুৰস্কাৰ লাভ কৰিবৰ বাবে কমিচন/মাচুলৰ বাবদ বিদেশী মুদ্ৰা প্ৰেৰণ কাৰ্যকৰী কৰিবৰ বাবে ব্যক্তি/প্ৰাধিকৃত লেনদেনকাৰীয়ে বেংকৰ ওচৰত অনুমোদন/স্পষ্টিকৰণ বিচৰা তথ্য ৰিজাৰ্ভ বেংকৰ হাতলৈ আহিছে। তাৰোপৰি এইটোও ৰিজাৰ্ভ বেংকৰ দৃষ্টিগোচৰ হৈছে যে কিছুমান সমুদ্ৰোত্তৰীয় সংগঠনে ভাৰতীয় ব্যক্তি/কোম্পানী/ন্যাসসমূহক এইবুলি সূচনা দিছে যে এক বৃহৎ পৰিমাণৰ ধন সস্তা দৰত ঋণ বিতৰণৰ বাবে ৰিজাৰ্ভ বেংকৰ এটা একাউণ্টত জমা হৈ আছে আৰু ৰিজাৰ্ভ বেংকৰ অনুমোদন হ'লেই এই ফাণ্ডৰ ধন মোকলাই দিয়া হ'ব। তেওঁলোকৰ দাবী সাব্যস্ত কৰিবৰ কাৰণে আনকি ভাৰতীয় ৰিজাৰ্ভ বেংকে জাৰি কৰা বুলি প্ৰমাণপত্ৰ/জমাৰাশিৰ ৰচিদৰ প্ৰতিলিপিও এই পৰিচালকবিলাকে প্ৰস্তুত কৰিছে।

ভাৰতীয় ৰিজাৰ্ভ বেংকে আজি স্পষ্ট কৰি দিছে যে বিদেশী মুদ্ৰা প্ৰবন্ধন অধিনিয়ম ১৯৯৯ (FEMA 1999)ৰ অধীনত লটাৰী খেলত ভাগ লবৰ বাবে যিকোনো ধৰণৰ মুদ্ৰা প্ৰেৰণ নিষিদ্ধ। তাৰোপৰি এই নিষিদ্ধজাৰি বিভিন্ন নামত চলা লটাৰীৰ দৰে আঁচনি যেনে মুদ্ৰা পৰিচালন আঁচনি অথবা পুৰস্কাৰ ৰাশি/পুৰস্কাৰ প্ৰাপ্তিৰ বাবে বিচৰা মুদ্ৰা প্ৰেৰণৰ ক্ষেত্ৰতো প্ৰয়োগ হ'ব। ৰিজাৰ্ভ বেংকে এইটোও স্পষ্ট কৰি দিছে যে বেংকে ফাণ্ড বিতৰণৰ বাবে কোনো ব্যক্তি/কোম্পানী/ন্যাস আদিৰ একাউণ্ট চোৱাচিতা নকৰে।

জি ৰঘুৰাজ
উপ মহা প্ৰবন্ধক

**প্ৰেচ বিজ্ঞপ্তি: ২০০৭ - ২০০৮/৭৭০**